৫

'এআইৰ না
'ডিপফে'কৰ

RNI-Regd No. 62953/96

সংগ-প্ৰসংগ

■ দয়ানন্দ পাঠক

শৈলেনজিৎ শৰ্মাৰ নাট্যপ্ৰেম

গোৱালপাৰা মহাবিদ্যালয়। এখন অতি উচ্চ পৰ্যায়ৰ মহাবিদ্যালয়। অসমৰ পশ্চিম ক্ষেত্ৰত অৱস্থিত। ড° মহেন্দ্ৰ বৰা আৰু ড° বীৰেন্দ্ৰনাথ দত্তৰ দৰে পণ্ডিতসকলেও এই মহাবিদ্যালয়খনত অধ্যক্ষৰ আসন অলংকৃত কৰিছিল। এতিয়াও মহাবিদ্যালয়খনৰ স্থিতি আৰু কৰ্মৰ মান উচ্চ স্তৰৰ। এনে এখন মহাবিদ্যালয়ৰে ১০ পৃষ্ঠাত চাওক

২৪ ঘণ্টাত ৰাজনীতিত মিত্ৰতাৰ নতুন সমীকৰণ

উ

অ

■ মে
অপৰ

মৃত্যু হ'ল বুলিয়ে ঘোষণা কৰিলে। গতিকে তাৰ পাছত আমি এতিয়া এক ঈশ্বৰ পৰিত্যক্ত পৃথিৱীত (God-deserted world), ঘুমুটিয়াই ফুৰিছো। একোকে স্পষ্টকৈ দেখা নাপাই খেপিয়াই ফুৰিছো।

এয়াই যদি মানুহৰ উপলব্ধি, নাৰীৰো উপলব্ধি সেয়াই। স্বামীৰ আশ্ৰিতা হ'লেও এতিয়া আৰু স্বামীয়েও তেওঁক আশ্ৰয় দিব নোৱাৰে। স্বাধীনতাও তাত নিৰৰ্থক।

তেন্তে ই এক ব্যৰ্থতাৰ কালেই নেকি— মানৱ জাতিয়ে এই নিৰাশ্ৰয় অৱস্থাতে পতিত হ'লহি নেকি? মানুহে কিন্তু এতিয়াও এই অৱস্থাত পতিত হোৱা বুলি [illegible] গতিকে নাৰীয়েও সেই অৱস্থাত আছি পৰা বুলি নাভাবে। মানুহ যিমানে স্থিতিহীন অৱস্থাত আছি পৰা বুলি অনুভৱ নকৰক কিয়, মানুহে ভৰিৰ তলৰ সেই নিজৰ মাটি উদ্ধাৰ কৰাৰ প্ৰেৰণা পাবই। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে— আমি সদায় চাব লাগিব যাতে আমি ভৰিৰ তলৰ মাটি নেহেৰুৱাওঁ। নাৰীয়েও নিজৰ পুৰুষজনৰ বাবে সকলো কৰিব, তেওঁৰ বাবে সকলো ত্যাগ কৰিব; কিন্তু সেই নাৰীয়েও নিজৰ নিজত্ব সততে বজাই ৰাখিব। তেওঁ কাৰবাৰ পত্নী, কাৰবাৰ মাতৃ। কিন্তু একে সময়তে তেওঁ তেৱোঁ; সেই পৰিচয় তেওঁ কেতিয়াও পাহৰিব নালাগিব। নিজৰ নিজস্বৰে তেওঁ সদায় উজ্জ্বলি থাকিব লাগিব।

এই ধৰণৰ নিজত্ব তেওঁৰ স্বাৰ্থান্বেষিতাৰ নামান্তৰ নহয়। ই সমাজখনক,মানৱ জাতিক তাৰ স্বাভাৱিক বলেৰে বলীয়ান কৰি ৰাখিবৰ বাবেহে, অৰ্থাৎ নাৰী দিৱস মানৱ দিৱসৰে নামান্তৰহে—নাৰীক লৈ চিন্তা- মানুহক লৈ চিন্তা-মানৱ প্ৰজাতিক লৈ চিন্তা।

ফোন : ৯৮৫৪০৩১৬৭৬

শৈলেনজিৎ শৰ্মাৰ নাট্যপ্ৰেম

তিনি পৃষ্ঠাৰ পৰা অসমীয়া বিভাগৰ অধ্যাপক হিচাপে শৈলেনজিৎ শৰ্মা যোৱা ২৯ ফেব্ৰুৱাৰী, ২০২৪ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। চাকৰিৰ পৰা অৱসৰ লোৱাটো বৰ ডাঙৰ কথা নহয়। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই আদি-অন্ত আছেই। য'ত দিন আছে, তাত ৰাতিও আছে। য'ত ৰাতি আছে, তাত দিনো আছে। জীৱন চক্ৰৰ এনে অৱধাৰিত সত্যৰ পৰা কোনেও সাৰি যাব নোৱাৰে। এয়াই জীৱনৰ চৰম সত্য। আজি জন্মিছো যেতিয়া, আমাৰ মৃত্যুও যথাসময়ত হ'বই।

অধ্যাপক শৈলেনজিৎ শৰ্মাই এক ব্যতিক্ৰমী ব্যৱস্থাৰে অৱসৰ গ্ৰহণ কৰিছে। ব্যতিক্ৰমৰ ৰূপ-স্বৰূপ কেনে ধৰণৰ। চাকৰি কালত তেওঁ কি পালে আৰু কি নাপালে, সেইটো বৰ ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ল চাকৰি কালত তেওঁ প্ৰদৰ্শন কৰা গুণ-গৰিমাহে। তেওঁৰ বিদায় সভাত অধ্যক্ষ, অধ্যাপক, স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলে তেওঁক যেনেদৰে আদৰ-সম্ভাষণ কৰিলে, সেইটো নিজ চকুৰেই ২৯ ফেব্ৰুৱাৰীত (২০২৪) দেখিলো।

তেতিয়া মই নিজৰ অৱসৰ লোৱা দিনটোৰ কথা মনত পেলাবলৈ যত্ন কৰিছো। মই প্ৰাগজ্যোতিষ কলেজৰ পৰা অৱসৰ লোৱাৰ দিনটোৰ কথা অতি জীৱন্তভাৱে মনত আছে। মোক কোনো এজন শিক্ষকে, কোনো এজন ছাত্ৰই, কোনো এজন ৰাজহুৱা ব্যক্তিয়ে এখন সস্তীয়া গামোচা পিন্ধাই বিদায় দিয়াটো দেখা নাপালো। মই অকলেই মোৰ গাড়ীখন চলাই ঘৰলৈ উভতিছিলো। অহাৰ সময়ত মোক কোনেও মাত এষাৰো নিদিলে। অৱশ্যে সেইদিনা যে আমাৰ শিক্ষকসকলৰ মাজত ব্যস্ততা বা কৰ্মতৎপৰতা নাছিল, সেইটোৱো নহয়। মই যিগৰাকী জ্যেষ্ঠ অধ্যাপিকাৰ হাতত কাৰ্যভাৰ গতাইছিলো, তেওঁক অভিনন্দন জনাবলৈ ডাঙৰ ভোজ ভাতৰ আয়োজন বুলিও শুনিছিলো। সেই ভোজভাতলৈ মোক নিমন্ত্ৰণ কৰা হোৱা নাছিল। তেতিয়া এটা কথা বুজিছিলো, মানুহে অস্তগামী সূৰ্যক নমস্কাৰ নকৰে। উদিত সূৰ্যকহে নমস্কাৰ কৰে। মই অস্তগামী সূৰ্য। আমাৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ মন-মেজাজত যে এনে এটি উচ্চ চিন্তাই ঠাই পাইছিল, সেই কথা ভাবিলে গৌৰৱবোধ কৰো। সূৰ্য উদয় হয়, অস্তও হয়। গতিকে ইয়াত দুখ কৰিবলৈ কিটো আছে। এয়া এক উচ্চ পৰ্যায়ৰ দাৰ্শনিকৰ চিন্তা।

শৈলেনজিৎ শৰ্মাৰ ক্ষেত্ৰত এখন বিপৰীত ছবিহে দেখিলো। অৱসৰ লোৱা দিনাখন মই তেওঁৰেই এখন 'নাট্যকৰণি' আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ সুবিধা লাভ কৰিছিলো। এয়া ২৯ ফেব্ৰুৱাৰী (২০২৪)ৰ কথা। গ্ৰন্থ উন্মোচনী সভাখনৰ মাজতে তেওঁক বিদায় দিয়াৰ ব্যৱস্থা হৈছিল। সভাত উপস্থিত আছিল অনেক শিক্ষক, অধ্যক্ষ ড° সুভাষ বৰ্মন, কলেজ পৰিচালনা সমিতিৰ সভাপতি ড° অৱনী কুমাৰ ভাগৱতী, প্ৰাক্তন অধ্যক্ষসকল আৰু গণ্য-মান্য অনেক পুৰোধা। ছাত্ৰ-ছাত্ৰীসকলে তেওঁক গামোচাৰে বুৰাই পেলাইছিল। বিভাগীয়ভাৱেও তেওঁক সম্বৰ্ধনা জনোৱা হৈছিল।

তেওঁৰ চাকৰি জীৱনৰ অন্তিম দিনাখনৰ আগদিনাখন তেওঁৰেই এখন নাটক কলেজত মঞ্চস্থ কৰা হৈছিল। তেওঁৰ নাটক চাবলৈ হেজাৰজনৰ ভিৰ পৰিলক্ষিত।

আৰু এটা কথা, তেওঁৰ অৱসৰৰ দিনাখন তেওঁ কলেজখনত যিমান বছৰ চাকৰি কৰিছিল, সিমানডাল গছ ৰোপণ কৰা হৈছিল।

আমাৰ বোধেৰে সংস্কৃতি বুলিবলৈ আমাক আৰু ওপৰঞ্চি উদাহৰণ লাগেনে? শিক্ষকক সন্মান জনোৱা চৰকাৰৰ ফালৰ পৰাও লুপ্ত হ'বলৈ আৰম্ভ কৰিছে। আমাৰ দেশত মন্ত্ৰী আৰু বিধায়ক-সাংসদসকলহে সমাজৰ দ্বাৰা সমাদৃত। শিক্ষকসকল নহয়। মন্ত্ৰী-বিধায়ক উপস্থিত থকা সভাত ভিৰ হয়। তেওঁলোকে মঞ্চ ত্যাগ কৰাৰ পাছত সভা-সমিতিবোৰ উকা হয়। উপস্থিতিত ভাঙোন আৰম্ভ হয়। আমাৰ মঠ-মন্দিৰতো মন্ত্ৰী অহা বুলি খবৰ পালেই কাৰ্পেটৰ ব্যৱস্থা কৰা হয়। আমাৰ মঠ-মন্দিৰ-সত্ৰসমূহৰ দৃষ্টিতো ভক্তৰ শ্ৰেণী বিভাজন বিদ্যমান। এনেবোৰ কথা এক সুকীয়া আলোচনাৰ বিষয় হ'বই পাৰে।

শৈলেনজিৎ শৰ্মাৰ মুঠ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা হ'ল ৩৬ খন। প্ৰকাশিত পূৰ্ণাংগ নাটকৰ সংখ্যা হ'ল ১০ খন। অপ্ৰকাশিত হয়তো মঞ্চস্থ নাটকৰ সংখ্যা হ'ল আৰু ১০ খন। একাংকিকাৰ সংখ্যা হ'ল প্ৰায় ১৫ খন। ইমানখিনি লেখা-মেলা কৰি শিক্ষকতা কৰা অধ্যাপকৰ সংখ্যা এতিয়া অতি-তাকৰ। আজিকালিৰ অধ্যাপনাৰ ক্ষেত্ৰখন ডিগ্ৰীকেন্দ্ৰিক। ছাত্ৰকেন্দ্ৰিকো নহয়, জ্ঞানকেন্দ্ৰিকো নহয়। সামগ্ৰিক শিক্ষা ব্যৱস্থাটোৱো নম্বৰকেন্দ্ৰিক। এনে নম্বৰকেন্দ্ৰিকতাৰ বাবে প্ৰকৃত শিক্ষা প্ৰাপ্তিৰ কথাটো এক প্ৰহসনত পৰিণত।

অধ্যাপক শৰ্মাৰ নাট্যপ্ৰীতিৰ কথা বহলাই নক'লেও চলে। সকলোৰে জনা কথা পুনৰাবৃত্তি কৰিব খোজাও নাই। যোৱা ২৯ ফেব্ৰুৱাৰী (২০২৪)ত মোক তেওঁৰ নাট্য সংকলন 'নাট্যকৰণি' উন্মোচন কৰিবলৈ গোৱালপাৰা কলেজলৈ আমন্ত্ৰণ কৰিছিল। 'নাট্যকৰণি'ত ছখন নাটক আছে, তেওঁৰ দ্বাৰা ৰচিত। এই ছখন নাটক অভিনীত হৈছে নে হোৱা নাই, সঠিকভাৱে ক'ব নোৱাৰিলো। নাটক কেইখনৰ নাম 'স্বপ্নভংগ', 'ৰঙহৰ যুঁজ', 'সংঘাত', 'নাচনী মালিনীৰ বিয়া', 'আক্ৰোশ' আৰু 'চাহ বাগানাৰ পাক'। নাটকবোৰত অংকবিভাজন নেদেখিলো। প্ৰতিটো দৃশ্য দৃশ্যৰ ৰূপতেই পৰিৱেশিত। দুয়োখন নাটকৰ বিষয়ে বৰ্ণাবলৈ নাযাওঁ। মাত্ৰ এখন নাটকৰ ওপৰত আলোকপাত কৰিব পাৰি। 'স্বপ্নভংগ'। নাটকৰ দৃশ্য আঠটা। মূল চৰিত্ৰ হিচাপে বিশাল আৰু কাদম্বিনী। মাত্ৰ দুগৰাকী চৰিত্ৰৰ উল্লেখন কৰিব পাৰি। বিশাল এগৰাকী চিত্ৰশিল্পী। তেওঁৰ নাম আৰু খ্যাতি চৌদিশ বিয়পিছে যদিও নাটকত তেওঁৰ চৰিত্ৰায়ন এগৰাকী অস্বাভাৱিক ব্যক্তিৰ ৰূপতহে কৰা হৈছে। কাদম্বিনী এগৰাকী গাভৰু। বয়স ২০ৰ পৰা ২৫ৰ ভিতৰত হ'ব। বিশাল তেওঁৰ বন্ধু আৰু সহপাঠী মানৱ চৌধুৰীৰৰ ঘৰলৈ আহে বহু বছৰৰ মূৰত। মানৱৰ দূৰ সম্পৰ্কীয় ভাগিনীগৰাকী হ'ল কাদম্বিনী। কাদম্বিনী হ'ল এগৰাকী চঞ্চলা গাভৰু। নাটকত বিশালে এটা সময়ত কাদম্বিনীক বিয়া কৰায়। দুয়োৰে মাজত সমভাবৰ অভাৱ পৰিলক্ষিত। নাটকৰ শেষত শিল্পী বিশালে পত্নী কাদম্বিনীক হত্যা কৰে অতি নিৰ্মমভাৱে। পাছত নিজেও আত্মহত্যাৰ পথ বাছি লয়।

নাটকখনত নাট্যকাৰে আচলতে এগৰাকী অস্বাভাৱিক চিন্তাৰ শিল্পীক উপস্থাপন কৰিব বিচাৰিছে। নাটকৰ সংলাপ উল্লেখযোগ্য। অস্বাভাৱিক চৰিত্ৰৰ পৰিণতি কেতিয়াও গ্ৰহণীয় হ'ব নোৱাৰে। নাটকৰ স্বপ্নভংগ হোৱা বুলিহে দেখুওৱা হৈছে।

শৰ্মাৰ আনকেইখন নাটকৰ ক্ষেত্ৰতো প্ৰায় একেটি পৰিণতি হ'ব বুলি ক'ব পাৰি নিশ্চয়। নাটকবোৰৰ ক্ষেত্ৰত সুকীয়া আলোচনাৰ প্ৰয়োজন হ'ব।

মুঠৰ ওপৰত, শৈলেনজিৎ শৰ্মাৰ নাট্যপ্ৰীতি অতুলনীয়। কলেজৰ পৰা অৱসৰ লোৱাৰ দিনাখনে এই নাট্য সংকলনখন উন্মোচিত কৰা হ'ল। এয়াও এক ব্যতিক্ৰমী প্ৰয়াস। আমাৰ বাবে এটি মনত থকা ঘটনা। এফালে গছপুলি ৰোপণ আৰু আনফালে এখন নাটকৰ মঞ্চায়ন।

ফোন : ৯৮৫৪০৫০৯৪৭